**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-SEP-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১। ১৯৫০ চনৰ অসমৰ পৰা অনুপ্ৰৱেশকাৰী বহিষ্কৰণ আইন কঠোৰভাৱে বলৱৎ কৰাৰ বাবে অসম মন্ত্ৰীসভাৰ সিদ্ধান্ত।

২। ১০ দিনৰ ভিতৰত অনুপ্ৰৱেশকাৰীক চিনাক্ত কৰি বহিষ্কাৰৰ নিৰ্দেশ দিয়াৰ ক্ষেত্ৰত জিলা আয়ুক্তক কেবিনেটৰ কৰ্তৃত্ব।

৩। উপ-ৰাষ্ট্ৰপতি হিচাপে এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী চি পি ৰাধাকৃষ্ণনৰ জয়লাভ।

৪। বিটিচি নিৰ্বাচনৰ বাবে শাসক-বিৰোধীৰ প্ৰচাৰ অভিযান তীব্ৰ। **আৰু**

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰত, সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ মুখামুখি।

০০০০০০

অনুপ্ৰৱেশকাৰী বহিষ্কাৰৰ ক্ষেত্ৰত ১৯৫০ চনৰ অসমৰ পৰা অনুপ্ৰৱেশকাৰী বহিষ্কৰণ আইনখন কঠোৰভাৱে বলৱৎ কৰাৰ বাবে অসম মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰিছে। মন্ত্ৰীসভাৰ সিদ্ধান্ত অনুসৰি এতিয়াৰ পৰা ১০ দিনৰ ভিতৰত অনুপ্ৰৱেশকাৰীক চিনাক্ত কৰি জিলা আয়ুক্তই বহিষ্কাৰ কৰাৰ নিৰ্দেশ দিব পাৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকে এই বিষয়ত ১৯৫০ চনৰ অসমৰ পৰা অনুপ্ৰৱেশকাৰী বহিষ্কৰণ আইনৰ অধীনত প্ৰস্তুত কৰা কাৰ্যবিধিত অনুমোদন জনাইছে। নতুন কাৰ্যবিধি অনুসৰি যদি জিলা আয়ুক্তই আৰক্ষী বা আন কোনো উৎসৰ পৰা এজন ব্যক্তি অনুপ্ৰৱেশকাৰী বুলি সন্দেহৰ তথ্য লাভ কৰে, তেন্তে সেই ব্যক্তিজনক ১০ দিনৰ ভিতৰত নাগৰিকত্ব প্ৰমাণ কৰিবলৈ নিৰ্দেশ দিব পাৰিব। যদি ব্যক্তিজনে ভাৰতীয় নাগৰিকত্ব প্ৰমাণৰ পৰ্যাপ্ত তথ্য দাখিল কৰিব নোৱাৰে তেন্তে জিলা আয়ুক্তই নিজা মতামত নথিভুক্ত কৰিব পাৰিব। তদুপৰি ১৯৫০ চনৰ অসমৰ পৰা অনুপ্ৰৱেশকাৰী বহিষ্কৰণ আইনৰ ২ নম্বৰ (ক) ধাৰা অনুসৰি জিলা আয়ুক্তই অনুপ্ৰৱেশকাৰীজনক ২৪ ঘণ্টাৰ সময় দি বহিষ্কাৰৰ নিৰ্দেশ দিব পাৰিব। যদি জিলা আয়ুক্তৰ নিৰ্দেশনাৰ পাছতো অনুপ্ৰৱেশকাৰী ব্যক্তি নিজে আঁতৰি নাযায়, তেন্তে আয়ুক্তই সংশ্লিষ্ট জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ সহায়ত অনুপ্ৰৱেশকাৰীজনক শিবিৰত ৰখাৰ ব্যৱস্থা কৰিব পাৰিব। অথবা সমীপৱৰ্তী সীমান্তৰক্ষী বাহিনীক গতাই দিব পাৰিব। কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ড০ শৰ্মাই এখন সংবাদমেল সম্বোধন কৰি কয়, যে উচ্চতম ন্যায়ালয়ৰ সাংবিধানিক বিচাৰপীঠৰ ৰায়ৰ ওপৰত ভিত্তি কৰি কেবিনেটে অসমত প্ৰথমবাৰৰ বাবে বিদেশী ন্যায়াধীকৰণ ব্যৱস্থা একাষৰীয়া কৰি ১৯৫০ চনৰ অসমৰ পৰা অনুপ্ৰৱেশকাৰী বহিষ্কৰণ আইন ব্যৱহাৰৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ জৰিয়তে বিদেশী বহিষ্কৰণ প্ৰক্ৰিয়াটো দ্ৰুত হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰিছে।

**বাইট-১ (চি এম)**

এন আৰ চিত কোনো লোকৰ নাম থাকিলেই তেওঁ স্বদেশী হয় নাযায় বুলি উল্লেখ কৰে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে এন আৰ চিৰ জৰিয়তে নাগৰিকত্ব প্ৰমাণিত নহ'ব বুলি উচ্চতম ন্যায়ালয়ে স্পষ্ট কৰি দিছে। ১৯৫০ চনৰ অসমৰ পৰা অনুপ্ৰৱেশকাৰী বহিষ্কৰণ আইনখনৰ সৈতে এন আৰ চিৰ কোনো সম্পৰ্ক নাই বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে কয়।

## বাইট-২ (চি এম)

ইপিনে অসম মন্ত্ৰীসভাই কালি ক্ষুদ্ৰ আৰু প্ৰান্তীয় কৃষকসকলৰ বজাৰৰ প্ৰৱেশাধিকাৰ বৃদ্ধি কৰাৰ বাবে অসম কৃষিজাত উৎপাদন আৰু বিপণন আইন ২০২৫ৰ সংশোধনত অনুমোদন জনাইছে। ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত চলিত বৰ্ষত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ বা তাতকৈ অধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকলক স্কুটাৰ দিয়াৰ বাবেও কেবিনেটে অনুমোদন দিছে। একেদৰে হিমাচল প্ৰদেশৰ প্ৰাকৃতিক দুৰ্যোগৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ৫ কোটি টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱা ক্ষেত্ৰতো কেবিনেটে অনুমোদন জনাইছে।

০০০০০০

দেশৰ পঞ্চদশ উপ-ৰাষ্ট্ৰপতি পদৰ বাবে কালি অনুষ্ঠিত নিৰ্বাচনত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণনে জয়লাভ কৰে। বিৰোধী আই এন ডি এৰ প্ৰাৰ্থী বি সুদৰ্শন ৰেড্ডীয়ে ৩০০টা ভোট লাভ কৰাৰ বিপৰীতে এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীয়ে ৪৫২টা ভোট লাভ কৰি উপ-ৰাষ্ট্ৰপতি পদৰ বাবে নিৰ্বাচিত হয়। কালি দিনৰ ১০ বজাৰ পৰা বিয়লি ৫ বজালৈ ভোটগ্ৰহণ হোৱাৰ পাছত সন্ধিয়া নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উপৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ বাবে চি পি ৰাধাকৃষ্ণনক অভিনন্দন জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে শ্ৰীৰাধাকৃষ্ণনৰ দশকজোৰা চহকী অভিজ্ঞতাৰে পুষ্ট ৰাজহুৱা জীৱনে  ৰাষ্ট্ৰৰ প্ৰগতিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব। তেওঁৰ কাৰ্যকাল সফলতাৰে পৰিপূৰ্ণ হোৱাৰ বাবে ৰাষ্ট্ৰপতিগৰাকীয়ে শুভেচ্ছা জ্ঞাপন কৰে। এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণন আৰু আই এন ডি আই এ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীৰ মাজত উপ-ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰতিদ্বন্দ্বিতা হৈছিল। সাংবিধানিক ব্যৱস্থা অনুযায়ী লোকসভা আৰু ৰাজ্যসভাৰ সদস্যসকলক লৈ গঠিত ভোটদাতা মণ্ডলীয়ে সমানুপাতিক প্ৰতিনিধিত্বৰ আধাৰত উপ-ৰাষ্ট্ৰপতি পদৰ বাবে গোপন বেলটৰ যোগেৰে ভোটদান কৰে। বৰ্তমান লোকসভাৰ সদস্যৰ সংখ্যা হৈছে ৫৪২ আৰু ৰাজ্যসভাৰ সদস্যৰ সংখ্যা হৈছে ২৩৯। দুয়োখন সদনৰ মুঠ ৭৮১ গৰাকী সদস্যৰ ৭৬৭ গৰাকীয়ে বেলটৰ জৰিয়তে ভোটদান কৰে। ইয়াৰে ৭৫২টা ভোট বৈধ আৰু ১৫টা ভোট অবৈধ বুলি ঘোষণা কৰা হয়।

০০০০০০

বিটিআৰৰ ৪০টা সমষ্টিত অহা ২২ ছেপ্তেম্বৰত হ'বলগীয়া বিটিচি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে।

**বাক্সা** জিলাৰ ককলাবাৰী পৰিষদীয় সমষ্টিৰ বিভিন্ন স্থানত কালি বি পি এফ দলে ব্যাপক প্ৰচাৰ চলায়। দলৰ প্ৰাৰ্থী চৌগমচাৰ বড়োৰ হৈ কৰা প্ৰচাৰত কেইবাগৰাকীও জ্যেষ্ঠ নেতাই অংশগ্ৰহণ কৰে। দলৰ নেতাসকলে এইবাৰ বি টি আৰত বি পি এফ দলে কাৰ্যভাৰ গ্ৰহণ কৰিবলৈ সমৰ্থ হ'ব বুলি আশা প্ৰকাশ কৰে। ইপিনে, জিলাখনৰ শালবাৰী পৰিষদীয় সমষ্টিৰ ভালাগুৰিত কালি ইউ পি পি এল দলৰ এখন নিৰ্বাচনী সভা অনুষ্ঠিত হয়। মহিলা সমিতিয়ে দলটোৰ প্ৰাৰ্থী জয় মুছাহাৰীৰ হৈ চলোৱা প্ৰচাৰত জনসাধাৰণক প্ৰাৰ্থীগৰাকীক জয়ী কৰিবলৈ আহ্বান জনায়।

**চিৰাং** জিলাৰ সাতটা পৰিষদীয় সমষ্টিত ৰাজনৈতিক দলসমূহে প্ৰচাৰ চলাইছে। বিজেপিৰ ৰাজ্যিক সাধাৰণ সম্পাদক তথা প্ৰাক্তন সাংসদ পল্লৱ লোচন দাসে কালি বাসুগাঁৱত বিজেপিৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। অনুষ্ঠানত ১৩ নম্বৰ চিৰাং পৰিষদীয় সমষ্টিৰ দলীয় প্ৰাৰ্থী সৌমখৌৰ ব্ৰহ্মকে ধৰি স্থানীয় নেতাসকল উপস্থিত থাকে। জিলাখনৰ নিচিমা পৰিষদীয় সমষ্টিৰ ইউ পি পি এলৰ প্ৰাৰ্থী ৰঞ্জিত বসুমতাৰীৰ হৈ  মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মাই কালি প্ৰচাৰ চলায়। নিজৰ ভাষণত শ্ৰী ব্ৰহ্মাই এইবাৰ ইউ পি পি এল দলে একক সংখ্যা গৰিষ্ঠতাৰে পৰিষদ গঠন কৰিব বুলি দাবী কৰে।

বিটিআৰৰ অন্তৰ্গত তামুলপুৰ, কোকৰাঝাৰ আৰু ওদালগুৰি জিলাতো বিজেপি, কংগ্ৰেছ, ইউপিপিএল, বিপিএফকে ধৰি দলসমূহে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে।

এইবাৰৰ নিৰ্বাচনত বিজেপিয়েও শক্তিশালী প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি দৰং জিলা ভ্ৰমণকালত সাংবাদিকৰ আগত প্ৰকাশ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অহা ১৪ ছেপ্তেম্বৰত গোলাঘাট জিলাৰ নুমলীগড়ত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কাৰ্যসূচীৰ প্ৰস্তুতিৰ বুজ ল'বলৈ আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নুমলীগড়লৈ যাব। মুখ্যমন্ত্ৰীয়ে এই ভ্ৰমণৰ প্ৰস্তুতি সন্দৰ্ভত জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হ'ব। উল্লেখযোগ্য যে নুমলীগড় শোধানাগাৰৰ ৫০ শতাংশ অংশীদাৰিত্বৰে নিৰ্মাণ কৰা এই প্ৰকল্পটো উদ্বোধনৰ বাবে সাজু হৈ উঠিছে। এই প্ৰকল্পটোৰ পৰা প্ৰতি বছৰে ৫০ হাজাৰ টন ইথানল, ১৮ হাজাৰ টন ফাৰ্ফিউৰেল আৰু ১১ হাজাৰ টন এচিটিক এছিড উৎপাদন কৰা হ'ব। অৱশিষ্ট লীগনিনৰ পৰা ২৫ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিব পৰা যাব বুলি জৈৱ ইথানল প্ৰকল্পৰ পৰিচালন সঞ্চালকে প্ৰকাশ কৰিছে। ইয়াৰ লগতে তৰল কাৰ্বন ডাই অক্সাইড উৎপাদন কৰা হ'ব। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী মোদীয়ে এই প্ৰকল্প উদ্বোধন কৰাৰ লগতে নুমলীগড় শোধানাগাৰত নিৰ্মাণ হ'বলগা প'লিপ্ৰ'পিলিন ইউনিটৰো আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীৰ আজি গোলাঘাট ভ্ৰমণ সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা হিৰণ্য গগৈ –

ভইচ

ইপিনে, মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি মঙলদৈত প্ৰধানমন্ত্ৰী মোদীৰ সমাগত দৰং জিলা ভ্ৰমণৰ সামগ্ৰিক পৰিস্থিতিৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰস্তাৱিত দৰং মেডিকেল কলেজ চৌহদৰ মূল সভাস্থলী পৰিদৰ্শন কৰি জিলা প্ৰশাসনৰ লগতে সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে এখন বৈঠকত মিলিত হয়। তেওঁ প্ৰধানমন্ত্ৰীগৰাকীৰ সমাগত ভ্ৰমণ সম্পৰ্কীয় বিভিন্ন দিশৰ প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰি সংশ্লিষ্ট সকলো বিভাগক নিয়াৰিকৈ কামসমূহ আগবঢ়াই নিবলৈ যাৱতীয় নিৰ্দেশ দিয়ে।

উল্লেখযোগ্য যে এই সভাত প্ৰধানমন্ত্ৰীয়ে কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ১৪ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰীয়ে মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব। ৰিং ৰোড প্ৰকল্পৰ কামৰূপ মহানগৰ, কামৰূপ, দৰং জিলাৰ উপৰি মেঘালয়ৰ ৰিভ'ই জিলাকো সামৰি ল'ব। কালি এই পৰিদৰ্শন আৰু পৰ্যালোচনাৰ সময়ত জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বিধায়ক ড° পৰমানন্দ ৰাজবংশীৰ লগতে জিলা আয়ুক্ত আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষকসহ প্ৰশাসনৰ শীৰ্ষ বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মণিপুৰ ভ্ৰমণৰ পূৰ্বে ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই কালি চূড়াচান্দপুৰ জিলাত প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ সবিশেষ বুজ লয়। ৰাজ্যপালগৰাকীয়ে প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণৰ সময়ত যাতে কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰ বাবে সকলো দিশ পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী মোদী অহা শনিবাৰে ৰাজ্যখনলৈ আহি চূড়াচান্দপুৰ আৰু ইম্ফলত জনসভাত অংশ ল'ব। ৰাজ্যপালগৰাকীয়ে কালি চূড়াচান্দপুৰ জিলাৰ হেলিপেড পৰিদৰ্শন কৰাৰ লগতে প্ৰধানমন্ত্ৰীয়ে ভাষণ দিবলগীয়া জনসভাৰ স্থানো পৰিদৰ্শন কৰে। শ্ৰী ভাল্লাই ৰাজ্যখনৰ মুখ্য সচিব, মুখ্য সুৰক্ষা উপদেষ্টা, আৰক্ষী সঞ্চালকপ্ৰধান আৰু সংশ্লিষ্ট জিলাখনৰ উপায়ুক্তৰ সৈতে বৈঠকত মিলিত হৈ প্ৰধানমন্ত্ৰী ভ্ৰমণৰ সকলো ব্যৱস্থা নিয়াৰিকৈ সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়ে।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী মোদী অহা ১৩ ছেপ্তেম্বৰৰ বিয়লি দুদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হোৱাৰ পূৰ্বে মণিপুৰৰ এই কাৰ্যসূচীত অংশ ল'ব। শ্ৰী মোদীয়ে সেইদিনাই মিজোৰামৰ ছাইৰাঙৰপৰা বৈৰবীলৈ ৫১ দশমিক ৩-৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ নতুন ৰে'ল প্ৰকল্প উদ্বোধন কৰিব। উত্তৰ-পূব সীমান্ত ৰে'লৱেই প্ৰকাশ কৰা মতে উদ্বোধনীৰ দিনা

ছাইৰাঙৰ পৰা দীৰ্ঘ দূৰত্বৰ ৰে'ল সেৱা আৰম্ভ কৰাৰ সম্ভাৱনা আছে। বৰ্তমান মিজোৰামৰ বৈৰবীৰ পৰা হাইলাকন্দি হৈ শিলচৰলৈ দৈনিক কেইটামান ডবা থকা এখন যাত্ৰীবাহী ৰে'ল চলি আছে। ১৩ ছেপ্তেম্বৰত মিজোৰামৰ ৰাজধানী আইজলৰ পৰা প্ৰায় ২১ কিলোমিটাৰ দূৰত্বত অৱস্থিত ছাইৰাঙলৈ এই যাত্ৰীবাহী ৰে'লখন সম্প্ৰসাৰিত কৰা হ'ব। প্ৰধানমন্ত্ৰীয়ে ছাইৰাঙৰ পৰা হাইলাকান্দি হৈ ৰাজধানী এক্সপ্ৰেছৰ দৰে বিলাসী ৰে'লৰ যাত্ৰাৰ শুভাৰম্ভ কৰাৰ কথা।

০০০০০০

০০০০০০

আবু ধাবিত অনুষ্ঠিত এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত যোৱা নিশা আফগানিস্তানে হংকঙক ৯৪ ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰে। গ্ৰুপ-বিৰ এই খেলখনত প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ আফগানিস্তানে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৮৮ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ ছেদিকুল্লাহ অটলে ৭৩ ৰান কৰে। আজমতুল্লাহ ওমৰজায়ে ২০টা বলত অৰ্ধশতক অৰ্জন কৰে। খেলুৱৈগৰাকীয়ে টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত আফগানিস্তানৰ হৈ আটাইতকৈ কম বলত অৰ্ধশতক অৰ্জন কৰা খেলুৱৈ হিচাপে পৰিগণিত হয়। প্ৰত্যুত্তৰত হংকঙে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ৯৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ বাবৰ হায়াতে সৰ্বাধিক ৩৯ ৰানৰ বৰঙণি আগবঢ়ায়।

ইপিনে ভাৰতে আজি আয়োজক সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ বিৰুদ্ধে প্ৰতিযোগিতাত নিজৰ অভিযান আৰম্ভ কৰিব। গ্ৰুপ-এৰ এই খেলখন ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত খেলোৱা হ'ব। খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব।

০০০০০০

নেপালৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে সতৰ্কবাণী জাৰি কৰিছে। দেশখনত থকা প্ৰায় ৬ লাখ ভাৰতীয়ক পৰিস্থিতি স্বাভাৱিক নোহোৱা পৰ্যন্ত ভ্ৰমণ নকৰিবলৈ আৰু য'ত যেনেকৈ আছে, তেনেকৈয়ে থাকিবলৈ কেন্দ্ৰীয় চৰকাৰে আহ্বান জনাইছে। আনহাতে, ভাৰতীয়সকলক এই মুহূৰ্তত নেপাল ভ্ৰমণ কাৰ্যসূচীৰ পৰা বিৰত থাকিবলৈও চৰকাৰে পৰামৰ্শ দিছে। কেন্দ্ৰীয় চৰকাৰৰ হৈ বিদেশ মন্ত্ৰালয়ে ৯৭৭-৯৮০৮৬০২৮৮১ আৰু ৯৭৭-৯৮১০৩২৬১৩৪ হেল্পলাইন নম্বৰ দুটা নেপালত থকা ভাৰতীয় লোকৰ বাবে মুকলি কৰিছে।

নেপালৰ পৰিস্থিতিৰ বিষয়ে আলোচনা কৰিবলৈ কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত প্ৰতিৰক্ষা সম্পৰ্কীয় কেবিনেট কমিটীৰ এখন বৈঠক অনুষ্ঠিত হয়। সামাজিক মাধ্যমত লিখা এটা পোষ্টত শ্ৰীমোদীয়ে নেপালৰ সাম্প্ৰতিক হিংসাজৰ্জৰ পৰিস্থিতিক হৃদয়বিদাৰক হিচাপে আখ্যা দিয়ে। দেশখনত যুৱক-যুৱতীসকলে প্ৰাণ হেৰুওৱা সন্দৰ্ভত শোক প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশখনৰ সুস্থিৰতা, শান্তি আৰু সমৃদ্ধিহে আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰে। তেওঁ দেশখনৰ জনসাধাৰণক শান্তিৰ হকে আগুৱাই আহিবলৈও আহ্বান জনায়

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্ট্‌জত শুনিছে। নামনি অসমৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ মেগা হাৰ্টজত আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ পৰা, ১০৩ দশমিক ৩ মেগা হাৰ্টজত আকাশবাণী ধুবুৰী কেন্দ্ৰৰ পৰা, ১০২ দশমিক ৬ মেগা হাৰ্টজত গোৱালপাৰা ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

নেপালত সামাজিক মাধ্যমৰ নিষেধাজ্ঞাক কেন্দ্ৰ কৰি জেন জেড আন্দোলনে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। দ্বিতীয় দিনা এই নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা হয় যদিও সংসদ ভৱন, প্ৰধানমন্ত্ৰীৰ গৃহত বিক্ষোভকাৰীয়ে অগ্নিসংযোগ কৰে। **অসমীয়া প্ৰতিদিন** কাকতে এই বাতৰিক মুখ্য বাতৰিৰ স্থান দিছে। একেটা বাতৰিৰে **নিয়মীয়া বাৰ্তা** কাকতৰ শিৰোনাম- অগ্নিগৰ্ভ নেপালত জীৱন্তে জ্বলাই হত্যা প্ৰাক্তন প্ৰধানমন্ত্ৰীৰ পত্নীক।

এজন লোক অনুপ্ৰৱেশকাৰী হয় নে নহয়, ১০ দিনৰ ভিতৰত সেয়া নিশ্চিত কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে কালি ৰাজ্যিক কেবিনেটত এছ অ পি গৃহীত কৰাৰ বাতৰি **দ্য আছাম ট্ৰিবিউন কাকতে** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে।

**দ্য টাইমছ অৱ ইণ্ডিয়া কাকতে** উপৰাষ্ট্ৰপতি নিৰ্বাচনত চি পি ৰাধাকৃষ্ণণে ১৫২ টা ভোটৰ ব্যৱধানত জয়লাভ কৰাৰ বাতৰি প্ৰকাশ কৰিছে।

পুনৰ বিশ্বৰ চলচ্চিত্ৰ মঞ্চত ভাৰতীয় ছবি উজলি উঠিছে। ৮২ সংখ্যক ভিনিছ ফ্লিম ফেষ্টিভেলত ভাৰতীয় ছবি দ্য ছংছ অব ফৰগটন ট্ৰীজৰ পৰিচালক বংগৰ অনুপৰ্ণা ৰয়ে শ্ৰেষ্ঠ পৰিচালকৰ সন্মান লাভ কৰিছে। এয়া **আমাৰ অসম** কাকতৰ প্ৰথম পৃষ্ঠাৰ বাতৰি।

পৰিবেশ, বন আৰু জলবায়ু পৰিবৰ্তন মন্ত্ৰালয়ৰ তথ্য অনুসৰি ২০২৪ চনৰ ৩১ মাৰ্চলৈকে অসমত মুঠ ৩ লাখ ৬২ হাজাৰ ৮২ হেক্টৰ বনাঞ্চল দখল কৰা হৈছে। দেশৰ ভিতৰতে অসমত দখল কৰা বনাঞ্চল ২য় সৰ্বাধিক। **দৈনিক অসম** কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

**দৈনিক অগ্ৰদূত** কাকতে যোৰহাট জিলাৰ মৰিয়নী সীমান্তৰ অসমৰ ভূমিত নাগালেণ্ডৰ প্ৰশাসনে জৰীপ সম্পূৰ্ণ কৰাৰ বাতৰি প্ৰকাশ কৰিছে।

গুৱাহাটী মহানগৰৰ উন্মুক্ত পদপথ তথা মেনহলসমূহ সমাগত দুৰ্গা পূজাৰ পূৰ্বে বন্ধ তথা মেৰামতি কৰাৰ বাবে বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিছে। এয়া **অসমীয়া খবৰ** কাকতৰ প্ৰথম পৃষ্ঠাৰ বাতৰি।

আদালত অৱমাননাৰ অভিযোগত শিক্ষা বিভাগৰ সচিব নাৰায়ন কোৰৰ আৰু প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ সঞ্চালক সুৰঞ্জনা সেনাপতিক আদালতত হাজিৰ হোৱাৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ে কঠোৰ নিৰ্দেশনা জাৰি কৰাৰ বাতৰি **দৈনিক জনমভুমি** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে। একেটা বাতৰিকে **দ্য চেণ্টিনেল** কাকতেও প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত